# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগু আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতিৰ শাসনত থকা মণিপুৰ চৰকাৰে ৰাজ্যখনৰ থকা প্ৰায় ৩৫০টা আশ্ৰয় শিবিৰ বন্ধ কৰি দিয়াৰ কথা বিবেচনা কৰিছে। ৰাজ্যখনৰ মুখ্য সচিব পি কে সিঙে কালি ইম্ফলত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৩ চনৰ পৰা ৰাজ্যখনত সংঘটিত গোষ্ঠীগত সংঘৰ্ষত গৃহহীন হোৱা লোকসকলৰ বাবে স্থাপন কৰা এই আশ্ৰয় শিবিৰসমূহত থকা লোকসকলক এই মাহৰ পৰাই তিনিটা পৰ্যায়ত বিকল্প স্থানত সংস্থাপিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সৈতে কৰা কেইবালানিও আলোচনাৰ অন্তত আশ্ৰয় শিবিৰসমূহ পৰ্যায়ক্ৰমে বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আশ্ৰয় শিবিৰত থকা লোকৰ সংখ্যা ৬২ হাজাৰৰ পৰা ৫৭ হাজাৰলৈ হ্ৰাস পাইছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। চূড়াচান্দপুৰ, কাংপক্পি জিলাত থকা প্ৰায় ৮ হাজাৰ শৰণাৰ্থীসকলক প্ৰথম পৰ্যায়ত এই মাহৰ ভিতৰতে স্বগৃহলৈ ঘূৰাই পঠিওৱা হ'ব। প্ৰতিটো পৰিয়ালকে নিজ নিজ বাসগৃহ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে ৩ লাখ টকাকৈ আগবঢ়াব বুলিও মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে নিৰাপত্তা বাহিনীয়ে যোৱা ৩ জুলাইৰ নিশাৰ পৰা ৪ জুলাইৰ পুৱালৈকে মণিপুৰৰ বিভিন্ন স্থানত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। মণিপুৰ আৰক্ষী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, আছাম ৰাইফলছ আৰু সেনাবাহিনীয়ে টেন'পাল, কাংপক্পি, চাণ্ডেল আৰু চূড়াচান্দপুৰ জিলাত অভিযান চলাই ২০৩টা বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। ইয়াৰে ভিতৰত ২১টা ইনচাছ ৰাইফল, ১১টা এ কে শ্ৰেণীৰ ৰাইফল, ২৬টা এছ এল আৰ, ২টা স্নাইপাৰ ৰাইফল, ১৭টা পইণ্ট থ্ৰী নট থ্ৰী ৰাইফল, দুটা ৫১ মিলিমিটাৰ মৰ্টাৰ আৰু ৩০টা আই ই ডিও আছে।

০০০০০০

ধেমাজি জিলাৰ ডিমৌত কালি দুৰ্বৃত্তই এগৰাকী কৰ্তব্যৰত সাংবাদিকক আক্ৰমণ কৰাত তেওঁ আহত হয়। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে মাধুৰ্য্য শইকীয়া নামৰ এটা বৈদ্যুতিন চেনেলৰ সাংবাদিকগৰাকী চিমেন-চিচি টঙানি উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমৌ পঞ্চায়তৰ সভাপতি নিৰ্বাচন সম্পৰ্কীয় বাতৰি সংগ্ৰহৰ বাবে সেই স্থানত উপস্থিত হোৱাৰ সময়ত

২৫-৩০ জনীয়া দুৰ্বৃত্তৰ দলে লাঠি-জোং লৈ সাংবাদিকগৰাকীক আক্ৰমণ কৰে। সাংবাদিকগৰাকী অৱশ্যে এই আক্ৰমণৰ পৰা প্ৰাণ লৈ পলাবলৈ সমৰ্থ হয়। এই সন্দৰ্ভত চিলাপথাৰ আৰক্ষী থানাত সাংবাদিক শইকীয়াই ইতিমধ্যে এজাহাৰ দাখিল কৰিছে। ধেমাজি জিলাৰ সংবাদকৰ্মী আৰু ভালেমান দল-সংগঠনে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে আৰু দোষীক শীঘ্ৰে কৰায়ত্ব কৰাৰ দাবী জনাইছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে উৎকোচ লোৱাৰ অভিযোগত কালি চৰাইদেউ জিলাৰ আবকাৰী বিভাগৰ এগৰাকী বিষয়া আৰু এজন কনিষ্টবলক আটক কৰে। আমাৰ চৰাইদেউ জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ আবকাৰী বিভাগৰ উপ-অধীক্ষক প্ৰশান্ত কুমাৰ গগৈ আৰু কনিষ্টবল বিশ্বজিৎ গগৈয়ে সোণাৰিৰ অসম-অৰুণাচল সীমান্তৰ কানুবাৰী এলেকাত বিলাতী সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবদ উৎকোচ লৈছিল। দুৰ্নীতি নিবাৰক শাখাৰ উপ-আৰক্ষী অধীক্ষক নেত্ৰ কমল শইকীয়াৰ নেতৃত্বত গুৱাহাটীৰ পৰা অহা দলটোৱে আবকাৰী বিষয়া আৰু কনিষ্টবলজনক হাতে-লোটে ধৰা পেলায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

যোৰহাট জিলাত কালি সংঘটিত দুটা পৃথক পথ দুৰ্ঘটনাত দুজন লোক নিহত আৰু পাঁচজন লোক আহত হয়। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি আমাৰ যোৰহাটৰ সংবাদদাতাই জনোৱা মতে কালি বৰহোলাৰ পৰা যোৰহাট অভিমুখে আহি থকা এখন যাত্ৰীবাহী বাছে তিতাবৰৰ দাংধৰাত এখন মটৰ চাইকেলক মুখামুখিকৈ খুন্দিওৱাৰ ফলত মটৰ চাইকেল আৰোহীদুজন হাস্পতাতললৈ নিয়াৰ পথত নিহত হয়।

কালি যোৰহাটৰ বাইপাছত সংঘটিত দুখন বিলাসী গাড়ীৰ মুখামুখি সংঘৰ্ষত তিনিজন লোক গুৰুতৰভাৱে আহত হয়।

০০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই কালি বিভিন্ন জিলাৰ জিলা কৃষি বিষয়া, কৃষি বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু মহকুমাৰ কৃষি বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত বিভিন্ন জিলাৰ কৃষি বিভাগে আগবঢ়োৱা অনুজ্ঞাপত্ৰৰ জৰিয়তে ব্যৱসায় কৰি থকা বীজ ভাণ্ডাৰ, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্যৰ ব্যৱসায়ীসকলক উপযুক্ত প্ৰশিক্ষণেৰে প্ৰশিক্ষিত কৰি তোলাৰ বাবে কৃষি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে এনে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰিবলৈ জিলা কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীবৰাই লগতে নাবাৰ্ডৰ অৰ্থ সাহায্যত কৃষি বিভাগে বিভিন্ন জিলাত আৰ আই ডি এফ আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা জ্ঞানকেন্দ্ৰসমূহৰ কামৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০০০

**সমাপ্ত**